# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-June-2026
**Time :** 2125 HRS

## *Assamese Night Bulletin*
**-------------------**

ooooo

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া কাইলৈ আৰম্ভ হ'ব। বিচাৰৰ প্ৰথম দিনটোতে আদালতে ৪ জন সাক্ষীক তলব কৰিছে। আদালতে গোচৰ সংক্ৰান্তত মৰিগাওঁ জিলাৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এজাহাৰ দাখিল কৰা ৰাতুল বৰা, মৰিগাঁৱৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰণৱ শইকীয়া, আৰু আৰক্ষী পৰিদৰ্শক ভাস্কৰ বৰ্মনক কাইলৈ আদালতত হাজিৰ হৈ সাক্ষ্য দিবলৈ নিৰ্দেশ জাৰি কৰিছে। উল্লেখযোগ্য যে ফাষ্টট্ৰেক আদালতে যোৱা ২৬ মে'ত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ৭ গৰাকী অভিযুক্তৰ বিৰুদ্ধে গোচৰৰ ধাৰা আৰোপ কৰিছিল। ইয়াৰ ভিত্তিত আদালতে কাইলৈৰ পৰা প্ৰতিদিনে জুবিন  গাৰ্গৰ মৃত্যুৰ গোচৰত সাক্ষীৰ সাক্ষ্যগ্ৰহণ কৰিব। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ৩৯৪ গৰাকী ব্যক্তি সাক্ষী আছে।

ooooo

ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনত আজিৰে পৰা ১৫ জুলাইলৈ পণ্ডিত দীনদয়াল উপাধ্যায় প্ৰশিক্ষণ মহা অভিযান অনুষ্ঠিত হৈছে। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ উপস্থিতিত আজি বুথ, মণ্ডল আৰু জিলা পৰ্যায়ৰ নেতৃত্বৰ বাবে দলীয় নেতা-কৰ্মীসকলক প্ৰশিক্ষণ দিয়া হয়। তদুপৰি সামাজিক মাধ্যম, কৃত্তিম বুদ্ধিমত্তা, নমো এপ, সৰল এপ, বুথ ব্যৱস্থাপনা, চৰকাৰী আঁচনি ৰূপায়ণ আদিকে ধৰি বিভিন্ন বিষয়ত প্ৰশিক্ষণ দিয়া হয়। প্ৰশিক্ষণ কাৰ্যসূচী সন্দৰ্ভত বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই সাংবাদিকৰ আগত এইদৰে কয়-

**ৰাইট**

ooooo

অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ সঞ্চালনাত আয়োজিত বৈঠকত নগাঁও লোকসভা সমষ্টিৰ সমাগত উপ-নিৰ্বাচনত কংগ্ৰেছ দলে কেনে ধৰণে অগ্ৰসৰ হ'ব সেই বিষয়ত আলোচনা কৰা হয়। বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীগগৈয়ে কয় যে কংগ্ৰেছ দল নতুন পৰিকল্পনাৰে ৰাইজৰ মাজলৈ গৈছে আৰু ৰাইজে বিচৰা ধৰণে দলটো গঢ় দিবলৈ বিচৰা হৈছে। শেহতীয়া বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দল শোচনীয়ভাৱে পৰাজয়ৰ পাছত ৰাজ্যৰ ১২৬টা সমষ্টিলৈ পৰ্যবেক্ষক প্ৰেৰণ কৰি

প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে আৰু সেই সন্দৰ্ভত কেন্দ্ৰীয় নেতৃত্বৰ সৈতে আলোচনা চলি আছে বুলিও প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

বিধানসভাৰ অধ্যক্ষ তথা ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়ক ৰঞ্জিত কুমাৰ দাসে আজি বজালীৰ ওদালগুৰি গাঁও পঞ্চায়তৰ জনসাধাৰণৰ সৈতে মত-বিনিময় কৰি তেওঁলোকৰ বিভিন্ন সমস্যাৰ বুজ লয়। ওদালগুৰি গাঁও পঞ্চায়তৰ উদ্যোগত পুঠিমাৰী বিহুতলীত আয়োজিত এই অনুষ্ঠানত বিধানসভাৰ অধ্যক্ষগৰাকীক কেইবাটাও অনুষ্ঠান-প্ৰতিষ্ঠানে বিশেষভাৱে সম্বৰ্ধনা জনায়। শ্ৰীদাসে প্ৰতিটো ৱাৰ্ডৰ ৰাইজৰ সৈতে তেওঁলোকৰ সমস্যা সন্দৰ্ভত কথা পাতে আৰু সেয়া সমাধানৰ বাবে যাৱতীয় ব্যৱস্থা লোৱা হ'ব বুলি আশ্বাস দিয়ে।

ooooo

পশ্চিম কাৰ্বি আংলং জিলাৰ তৰাডুবিত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত তিৱা ভাষা শিক্ষণ কাৰ্যসূচীৰ আজি সামৰণি পৰে। তিৱা সাহিত্য সভা, সাংস্কৃতিক সমাজ, সদৌ তিৱা মহিলা সন্থা আৰু ৰংখাং মাণ্ডলিক তিৱা উন্নয়ন সমিতিৰ সহযোগত পৰিচালনা কৰা এই কাৰ্যসূচীত তৰাডুবি অঞ্চলৰ শতাধিক নৱপ্ৰজন্মৰ যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। কাৰ্বি পৰিষদৰ কাৰ্যবাহী সদস্য তথা তিৱা জনগোষ্ঠীৰ ধ্বজাবাহক ডি উফিং মাছলায়ে এই কাৰ্যসূচীত তিৱা ভাষাক সাৱলীল আৰু শ্ৰুতিমধুৰ শব্দৰে এই ভাষা শিকাৰ বাবে নতুন সমল যোগান ধৰে। কাৰ্যসূচীত তিৱা সাহিত্য সভা কেন্দ্ৰীয় সমিতিৰ সভাপতি হৰছিং খলাৰ আৰু প্ৰাক্তন সভাপতি লালছিং মাডাৰ বিশেষ আমন্ত্ৰিত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে।

ooooo

ধুবুৰী জিলাৰ গৌৰীপুৰত আজি নকল সোণসহ তিনিজন লোকক আটক কৰা হয়। আৰক্ষীয়ে খুদিমাৰী অঞ্চলত অভিযান চলাই প্ৰায় ২ কিলোগ্ৰাম ওজনৰ নকল সোণখিনি জব্দ কৰে। ধৃত লখিমপুৰৰ বঙালমৰাৰ মহিৰউদ্দিন, খুদিমাৰীৰ জহিৰুল ইছলাম আৰু ফুলকাটাৰীৰ ফইজাল হকক অধিক তথ্যৰ বাবে জেৰা কৰি থকা হৈছে।

ooooo

লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ১৩৭ সংখ্যক জয়ন্তী উপলক্ষে প্ৰাথমিক শিক্ষা বিভাগ, বজালীৰ উদ্যোগত আৰু মইনামতি ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহযোগত আজি এখন মুকলি দৰ্শক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। শিক্ষাৰ্থীসকলৰ মাজত গোপীনাথ বৰদলৈৰ ত্যাগ, দেশপ্ৰেম, দূৰদৰ্শিতা আৰু অসমৰ স্বাৰ্থ সুৰক্ষাৰ ক্ষেত্ৰত তেওঁৰ অৱদান সম্পৰ্কে সচেতনতা বৃদ্ধিৰ উদ্দেশ্যে আয়োজন কৰা এই প্ৰতিযোগিতাত বিদ্যালয়খনৰ ভালেসংখ্যক ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। এনে কাৰ্যসূচীয়ে নৱপ্ৰজন্মৰ মাজত মহান ব্যক্তিসকলৰ আদৰ্শ, সামাজিক দায়বদ্ধতা আৰু মূল্যবোধৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আয়োজকসকলে আশা প্ৰকাশ কৰে।

ooooo

সমাপ্ত